# 2013

## ELECTIVE ASSAMESE

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১×১০=১০

(ক) অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি কাক জনা যায় ?

(খ) 'কথা-গুৰুচৰিত' মতে চৰিত তোলা প্ৰথমে কোনে প্ৰৱৰ্তন কৰিছিল ?

(গ) 'দৰং ৰাজবংশাৱলী'ৰ ৰচক কোন আছিল ?

(ঘ) উত্তৰ-শংকৰী যুগত সৃষ্টি হোৱা যি কোনো এটা সাহিত্যৰ ৰূপৰ উল্লেখ কৰা।

(ঙ) বকুল কায়স্থই ৰচনা কৰা গণিতৰ পুথিখনৰ নাম কি ?

(চ) 'কথা-ৰামায়ণ'ৰ ৰচক কোন ?

(ছ) বুৰঞ্জীসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি ?

(জ) 'গীতগোবিন্দ'ৰ ৰচক কোন ?

(ঝ) কিমান চনত অসমীয়া ভাষাক অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা উঠাই দিয়া হৈছিল ?

(ঞ) কোনে প্ৰথম 'বাইবেল' পুথি অসমীয়ালৈ অনুবাদ কৰিছিল ?

(ট) 'যাত্ৰিকৰ যাত্ৰা' উপন্যাসখন কোনে অনুবাদ কৰিছিল ?

(ঠ) 'সদৰামীনৰ আত্মজীৱনী'ৰ লেখক কোন ?

(ড) 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'ৰ ৰচক কোন ?

(ঢ) 'জোনাকী' আলোচনী কিমান চনত প্ৰকাশ পাইছিল ?

(ণ) 'আৱাহন'ৰ প্ৰথম সম্পাদক কোন আছিল ?

২। যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা : ২×৫=১০

(ক) উত্তৰ-শংকৰী যুগত গঢ়লৈ উঠা যি কোনো দুটা সাহিত্যিক ধাৰাৰ উল্লেখ কৰা।

(খ) 'মৃগাৱতী চৰিত' কাৰ ৰচনা আৰু ইয়াত কি ধৰ্মৰ প্ৰভাৱ পৰিছে ?

(গ) *A Grammar of Assamese Language* খন কোনে ৰচনা কৰিছিল আৰু কিমান চনত প্ৰকাশ পাইছিল ?

(ঘ) অসমীয়া সাহিত্যলৈ 'অৰুণোদই' আলোচনীয়ে আগবঢ়োৱা দুটা অৱদান উল্লেখ কৰা।

(ঙ) 'অৰুণোদই' যুগৰ দুজন অ-খ্ৰীষ্টিয়ান লেখকৰ নাম লিখা।

(চ) হেমচন্দ্ৰ বৰুৱা ৰচিত দুখন কিতাপৰ নাম লিখা।

(ছ) অসমীয়া বুৰঞ্জী সাহিত্যক কি কি ভাগত ভাগ কৰা হৈছে?

(জ) শৰৎচন্দ্ৰ গোস্বামী কোন যুগৰ গল্পকাৰ? তেওঁৰ এখন গল্পপুথিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখিবা : ৫×৪=২০

(ক) বুৰঞ্জীৰ গদ্য সম্পৰ্কে এটা চমু আলোচনা আগবঢ়োৱা।

(খ) 'জোনাকী' যুগৰ কবিতা সম্পৰ্কে চমু টোকা লিখা।

(গ) 'জোনাকী' আলোচনীয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানসমূহ লিখা।

(ঘ) আনন্দৰাম ঢেকীয়ালফুকন সম্পৰ্কে এটা টোকা লিখা।

(ঙ) আনন্দচন্দ্ৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া চৰিত-সাহিত্যৰ বৈশিষ্ট্যসমূহ লিখা।

৪। শংকৰোত্তৰ যুগৰ ৰামায়ণী সাহিত্য সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পৰ্কে আলোচনা কৰা।

৫। 'অৰুণোদই' যুগৰ অ-খ্ৰীষ্টিয়ান লেখকসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

হেমচন্দ্ৰ বৰুৱাই অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা কৰা।

৬। ৰোমান্টিক যুগৰ কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে এটা আলোচনা আগবঢ়োৱা। ১০

*অথবা*

অসমীয়া সাহিত্যত ৰোমান্টিক ভাৱধাৰা প্ৰৱৰ্তনৰ ক্ষেত্ৰত 'জোনাকী' আলোচনীৰ ভূমিকা আলোচনা কৰা।

৭। ঊনবিংশ শতাব্দীৰ অসমীয়া নাট্যসাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

'জোনাকী' যুগৰ অসমীয়া উপন্যাসৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

★★★